
# ইতিহাসৰ এক বিৱৰ্ণ পৃষ্ঠাৰ দলিল— দিল্লী-লাহোৰ ষড়যন্ত্ৰ



## শতবৰ্ষ স্মৰণ | জিতুমণি পাঠক

১৬০৮ চনৰ কোনোবা এক ক্ষণত সাত সাগৰ তেৰ নদী পাৰ হৈ অহা এখন বৃহৎ বণিকৰ জাহাজে গুজৰাটৰ উপকূল অঞ্চলৰ ছুৰাট বন্দৰত লংগৰ পেলাইছিলহি। কোনেও সেই সময়ত অনুমান কৰিবপৰা নাছিল যে ইষ্ট ইণ্ডিয়া কোম্পানীৰ বেশেৰে ভাৰতত পদাৰ্পণ কৰা সেই ক্ষুদ্ৰ বণিক গোষ্ঠীটোৱেই পৰৱৰ্তী সময়ত সমগ্ৰ ভাৰতৰে ভাগ্য নিয়ন্তা হৈ পৰিব। আনকি তেনে এক পূৰ্বানুমান কৰিবলৈ সক্ষম হোৱা নাছিল সম্পূৰ্ণ বাণিজ্যিক উদ্দেশ্যত গঠিত হোৱা ইষ্ট ইণ্ডিয়া কোম্পানীয়েও। কিন্তু সেই সময়ছোৱাত দেশত ক্ষমতাক লৈ চলি থকা খোৱা-কামোৰা, দ্বন্দ্ব খৰিয়ালে অভাৱনীয়ভাৱে তেওঁলোকৰ সন্মুখত সুযোগ সৃষ্টি কৰিলে বৃটিছৰ পতাকা উৰোৱাৰ আৰু পৰৱৰ্তী সময়ত শোষণ-দমনেৰে পিষ্ট ভাৰতীয়ৰ ওপৰত সেই পতাকা উৰি থাকিল ১৯৪৭ চনৰ ১৫ আগষ্টলৈকে।

বৃটিছ শাসনৰ প্ৰথম সময়ছোৱা যদিও খুব মসৃণভাৱে আগবাঢ়িছিল, সেই মসৃণতাত যতি পৰিল ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ পিছৰেপৰা। চিপাহী বিদ্ৰোহৰ জুইকুৰাই দাবানলৰ ৰূপ ধাৰণ কৰিব নোৱাৰিলে যদিও তাৰ স্ফুলিংগ সিঁচৰতি হৈ পৰিল চৌদিশে। দেশৰ বহু ঠাইত সেই স্ফুলিংগই অগ্নিকুণ্ডৰ সৃষ্টি কৰিলে। বহু ঠাইত সি ভয়াৱহ ৰূপ ধাৰণ কৰাৰ আগেয়ে প্ৰচণ্ড দমন আৰু নিৰ্যাতনেৰে তাক নিৰ্বাপিত কৰি পেলোৱা হʼল। তথাপি প্ৰতিজন ভাৰতীয়ৰ মনত সেই সময়ত যি স্বাধীনতাৰ চেতনা জাগ্ৰত হʼল তাক একেবাৰে নিৰ্মূল কৰি পেলোৱাটো বৃটিছ শাসকৰ পক্ষে আৰু ইমান সহজ কথা হৈ থকা নাছিল। ক্ষুব্ধ-নিষ্পেষিত ভাৰতীয়ৰ মনত বৃটিছ শাসনৰ অংশীদাৰ প্ৰতিজন ব্যক্তিয়েই হৈ পৰিছিল একো-একোজন শোষণকাৰীৰ প্ৰতীক। উগ্ৰপন্থাত বিশ্বাসী এদল স্বাধীনতা সংগ্ৰামীয়ে তেনে শোষণকাৰীৰ বিৰুদ্ধে হাতত তুলি ল'লে অস্ত্ৰ। প্ৰাণে মৰাৰ সংকল্প লৈ জঁপিয়াই পৰিল শোষণকাৰীৰ ওপৰত। তেনে এক ঐতিহাসিক স্বাধীনতা সংগ্ৰামী প্ৰচেষ্টাই ইতিহাসত নাম পাইছিল 'দিল্লী-লাহোড় ষড়যন্ত্ৰ' হিচাপে। সময় আছিল ১৯১২ চন। ২০১২ চনত এশ বছৰত ভৰি দিয়া সেই ঐতিহাসিক ঘটনাই সৃষ্টি কৰিছিল আজিৰ স্বাধীন ভাৰতৰ বুনিয়াদৰ কোনো এক অংশ। কাৰ্যতঃ যদিও 'দিল্লী-লাহোৰ ষড়যন্ত্ৰ' এক ব্যৰ্থ অভিযান বুলি চিহ্নিত তথাপি ইয়াৰ উত্তাপে যে ঠেৰেঙা লগা ভাৰতীয় মনোবলক উজ্জীৱিত কৰি স্বাধীনতা সংগ্ৰাম তীব্ৰতৰ কৰি তুলিছিল সেয়া স্বীকাৰ কৰিবই লাগিব।

দিল্লী-লাহোৰ ষড়যন্ত্ৰৰ সূত্ৰপাত ঘটিছিল, সেই সময়ত প্ৰশাসনে বৃটিছ শাসনাধীন ভাৰতৰ ৰাজধানী কলিকতাৰপৰা দিল্লীলৈ স্থানান্তৰ কৰাৰ সিদ্ধান্তক কেন্দ্ৰ কৰি। এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল ইংলেণ্ডৰ সম্ৰাট পঞ্চম জৰ্জৰ ভাৰত ভ্ৰমণৰ সময়ছোৱাত। ১৯১১ চনত গ্ৰহণ কৰা এই সিদ্ধান্ত অনুযায়ীয়েই ১৯১২ চনৰ আৰম্ভণিৰপৰা দিল্লীত ৰাজধানী নিৰ্মাণৰ কাম আৰম্ভ হয়। ইয়াতে ক্ষুব্ধ হৈ পৰে বংগদেশীয় সশস্ত্ৰ স্বাধীনতা সংগ্ৰামী গোট। তেওঁলোকৰ সৈতে লগ লাগেহি পঞ্জাৱৰ 'আণ্ডাৰ গ্ৰাউণ্ড' বিপ্লৱীসকলো। বৃটিছ প্ৰশাসনৰ এই সিদ্ধান্তক প্ৰতিহত কৰাৰ উদ্দেশ্য প্ৰশাসনক আক্ৰমণৰ লক্ষ্য কৰি লয় বিপ্লৱীসকলে। অতি পৰিকল্পিতভাৱে তৈয়াৰ কৰা হʼল ষড়যন্ত্ৰৰ ব্লু-প্ৰিণ্ট। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসত 'দিল্লী-লাহোৰ ষড়যন্ত্ৰ' বুলি পৰিচিত এই সশস্ত্ৰ বিপ্লৱী অভিযানক নেতৃত্ব দিবলৈ আগবাঢ়ি আহে ৰাসবিহাৰী বসু। বিদেশত উচ্চ শিক্ষাৰে শিক্ষিত হৈ দেশলৈ ওভতি অহা ৰাসবিহাৰী বসু এগৰাকী সুচতুৰ ব্যক্তিত্বৰ লোক আছিল। দিল্লী-লাহোৰ ষড়যন্ত্ৰৰ ব্লুপ্ৰিণ্ট তৈয়াৰৰ সময়ত তেওঁ বৃটিছ চৰকাৰৰ অধীনত ডেৰাডুনস্থিত 'ফৰেষ্ট ৰিছাৰ্চ ইন্সষ্টিটিউট'ত 'হেড ক্লাৰ্ক' হিচাপে কৰ্মৰত আছিল। তাৰে পৰাই তেওঁ বৃটিছ প্ৰশাসনৰ চকুত ধূলি দি গোটেই ষড়যন্ত্ৰৰ আঁত ধৰি গৈছিল।

১৯১২ চনৰ ২৩ ডিচেম্বৰ। এই দিনটোকে বিপ্লৱীসকলে ধাৰ্য কৰিছিল পৰিকল্পনাক চূড়ান্ত ৰূপ দিয়াৰ বাবে। ৰাসবিহাৰী বসু পৰিকল্পনা অনুযায়ী ডেৰাডুনৰপৰা দিল্লীত উপস্থিত হৈছিলহি। তেওঁৰ সৈতে লগ লাগিছিল এগৰাকী সতীৰ্থ বসন্ত কুমাৰ বিশ্বাস। বয়স মাথোঁ ১৭ বছৰ। মুখত তেতিয়াও শিশুসুলভ সৰলতা বিৰাজমান। সিদিনাখনেই বৃটিছ শাসনাধীন ভাৰতৰ ভাইচৰয় লৰ্ড চাৰ্লছ হাৰ্ডিঞ্জে দিল্লীৰ চান্দনী চৌকৰ পৰা আৰম্ভ কৰিছিল এক বিশাল শোভাযাত্ৰা। হাতী-ঘোঁৰাৰে পৰিৱেষ্টিত সেই বিশাল শোভাযাত্ৰা লাহে লাহে আগবাঢ়িছিল সন্মুখলৈ। নাৰীৰ সাজ পৰিধান কৰি বাটৰ দুয়োকাষে গোট খোৱা জনতাৰ মাজত সোমাই পৰিছিল বসন্ত কুমাৰ বিশ্বাস। হঠাতে এক প্ৰচণ্ড বিস্ফোৰণে কঁপাই গʼল সেই শোভাযাত্ৰাক। সন্মুখৰ মাউত এজন ধৰাশায়ী হৈ পৰিল। আঘাতপ্ৰাপ্ত হʼল যদিও হাৰ্ডিঞ্জ প্ৰাণে ৰক্ষা পৰিল। লেডী হাৰ্ডিঞ্জক লৈ নিমিষতে তেওঁ সেই ঠাই পৰিত্যাগ কৰিলে। এক দীৰ্ঘদিনীয়া পৰিকল্পনাৰ এনে এক অসফল পৰিসমাপ্তি ঘটিল। ৰাসবিহাৰী বসুৱে সিদিনাখনেই ৰাতিৰ ৰেলত উঠি ডেৰাডুনত উপস্থিত হʼলগৈ আৰু পিছৰ দিনাখন অতি স্বাভাৱিকভাৱে কাৰ্যালয়লৈ গৈ নিজৰ কৰ্মত ব্যস্ত হʼল। তেতিয়ালৈকে ষড়যন্ত্ৰকাৰীসকলৰ বিষয়ে বৃটিছ প্ৰশাসনে কোনো উৱাদিহ পোৱা নাছিল। এই বিষয়ে পিছত লৰ্ড হাৰ্ডিঞ্জে তেওঁ লিখা গ্ৰন্থ 'মাই ইণ্ডিয়ান য়াৰ্ছ'ত বৰ সৰসভাৱে লিখিছে যে ৰাসবিহাৰী বসুৱে কেৱল অফিচত উপস্থিত থকাই নহয়, তেওঁ তাৰে স্থানীয় বৃটিছৰ প্ৰতি আনুগত্য থকা লোকসকলক গোটাই লৈ এখন সভাৰো আয়োজন কৰিলে যʼত ভাইচৰয়ক চলোৱা এই আক্ৰমণক তীব্ৰ ভাষাৰে গৰিহণা দিয়া হয়। লাহে লাহে কিন্তু দিল্লী-লাহোৰ ষড়যন্ত্ৰৰ পাতবোৰ এখিলা-এখিলাকৈ খোল খাবলৈ আৰম্ভ কৰিলে। লৰ্ড হাৰ্ডিঞ্জৰ গাত বোমা দলিওৱাৰ দোষত অভিযুক্ত বসন্ত কুমাৰ বিশ্বাসৰ ৰেকৰ্ড পুলিচৰ হাতত পৰিল। বসন্ত কুমাৰ বিশ্বাস সেই সময়ত 'যুগান্তৰ' নামৰ সংগঠনটোৰ সক্ৰিয় সদস্য। এই আণ্ডাৰগ্ৰাউণ্ড বিপ্লৱীজনক দেউতাকৰ মৃত্যুৰ শেষকৃত্য অনুষ্ঠানত গ্ৰেপ্তাৰ কৰা হʼল। বিশ্বাসৰ তথ্যৰ আধাৰতে ষড়যন্ত্ৰত চামিল থকাৰ অভিযোগত আমিৰ চান্দ আৰু অৱধ বিহাৰী নামৰ আন দুজন বিপ্লৱীকো গ্ৰেপ্তাৰ কৰা হʼল। বিচাৰকালীন সময়ছোৱাতে ৰাসবিহাৰী বসুৰ পৰিচয়ো লাহে লাহে উন্মোচিত হʼল যদিও সুচতুৰ বসুৱে তাৰ আগতেই বৃটিছৰ বিৰুদ্ধে আন এক ষড়যন্ত্ৰক অতি সফলতাৰে ৰূপায়ণ কৰি জাপানলৈ উৰা মাৰিলে।

দিল্লী-লাহোৰ ষড়যন্ত্ৰ গোচৰ আৰম্ভ হয় ১৯১৪ চনৰ ২৩ মেʼৰপৰা। সেই সময়ত বসন্ত কুমাৰ বিশ্বাস আম্বালা চেণ্ট্ৰেল জেইলত কাৰাবন্দী আছিল। ৫ অক্টোবৰত হোৱা শুনানিত ষড়যন্ত্ৰত প্ৰত্যক্ষভাৱে জড়িত থকাৰ অভিযোগত দিল্লী উচ্চ ন্যায়ালয়ে বিশ্বাসক আজীৱন কাৰাবাসৰ আদেশ দিয়ে। ঘটনাটো সংঘটিত কৰাৰ সময়ত বিশ্বাসৰ বয়সৰ কথাটোলৈ লক্ষ্য ৰাখি আদালতে তেওঁক মৃত্যুদণ্ডৰপৰা ৰেহাই দিয়ে। কিন্তু দিল্লী উচ্চ ন্যায়ালয়ৰ এই ৰায়ত সন্তুষ্ট নহʼল বৃটিছ প্ৰশাসন। তেওঁলোকে পুনৰ লাহোৰ কোৰ্টত নতুনকৈ এই গোচৰটো সন্দৰ্ভত আবেদন কৰিলে। এই সময়তে তেওঁলোকে বসন্ত কুমাৰ বিশ্বাস সম্পৰ্কে থকা বয়সৰ তথ্যসমূহো বিকৃত কৰি পেলালে। এই বিকৃত তথ্যৰে লাহোৰ হাই কোৰ্টত প্ৰমাণ কৰা হʼল যে ঘটনা সংঘটিত কৰাৰ সময়ত বসন্ত কুমাৰ বিশ্বাস ভাল-বেয়া নিৰ্ণয় কৰিবপৰা সম্পূৰ্ণ সাবালক ব্যক্তি আছিল। বৃটিছ প্ৰশাসনৰ মনোবাঞ্ছা পূৰণ হʼল। লাহোৰ হাইকোৰ্টে বসন্ত কুমাৰ বিশ্বাসক মৃত্যুদণ্ডৰে দণ্ডিত কৰিলে। ১৯১৫ চনৰ ১১ মেʼত বসন্ত কুমাৰ বিশ্বাসক আম্বালা চেণ্ট্ৰেল জেইলত ফাঁচি দিয়া হʼল। এটা অসফল অভিযানৰ এক কৰুণ পৰিণতিৰে অন্ত পৰিল। 'দিল্লী-লাহোৰ ষড়যন্ত্ৰ গোচৰ'ৰ। এশ বছৰ আগেয়ে সংঘটিত হোৱা সেই অভিযান যদিও অসফল হৈছিল, তথাপি পৰৱৰ্তী সময়ত সিয়েই যে স্বাধীনতা লাভৰ সংগ্ৰাম ত্বৰান্বিত কৰি পেলাইছিল তাত কোনো সন্দেহ নাই।



বসন্ত কুমাৰ বিশ্বাস



ৰাসবিহাৰী বসু